**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-09-2024
**Time :** 07 55 Hrs

***Assamese Morning Bulletin***
**:::::::::::::::::::::::::::::::::::::::::**

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ১ ডিচেম্বৰৰ পৰিৱৰ্তে ১৫ ডিচেম্বৰত চি-টেট অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। প্ৰশাসনিক কাৰণত ইতিমধ্যে ঘোষণা কৰা চি-টেটৰ দিন সলনি কৰাৰ কথা সদৰি কৰে। এই সন্দৰ্ভত পৰিষদে জাৰি কৰা নিৰ্দেশনা অনুসৰি অহা ১৫ ডিচেম্বৰ দেওবাৰে দেশজুৰি চি-টেট অনুষ্ঠিত কৰা হ'ব। পূৰ্বে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ১ ডিচেম্বৰত দেশৰ মুঠ ১৩৬ খন চহৰত চি-টেট অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। ১৭ ছেপ্তেম্বৰৰ পৰা আৰম্ভ হোৱা চি-টেটৰ অনলাইন প্ৰক্ৰিয়াৰ আবেদন অহা ১৬ অক্টোবৰত অন্ত পৰিব। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে অসম টেট অনুষ্ঠিত নকৰাৰ সিদ্ধান্ত লোৱাৰ পৰিপ্ৰেক্ষিতত চি-টেটৰ গুৰুত্ব যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে।

0000000

যোৰহাটৰ নতুন আয়ুক্তৰূপে কাৰ্যভাৰ গ্ৰহণ কৰা জয় শিৱানীৰ সভাপতিত্বত জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি এখন কৰ্মচাৰী সভা অনুষ্ঠিত কৰা হয়। জিলাখনত চলি থকা উন্নয়নমূলক কাম-কাজসমূহৰ পৰ্যালোচনা কৰাৰ লগতে জিলাখনৰ বিভিন্ন দিশৰ বিষয়ে নৱনিযুক্ত আয়ুক্তক অৱগত কৰা হয়। সভাখনত জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তৰ লগতে জিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

0000000

যোৰহাট চি কে বি বাণিজ্য মহাবিদ্যালয়ত কালি ইনষ্টিটিউশ্যনেল ডেভলপমেণ্ট প্লেন ইন হায়াৰ এডুকেশ্যন শীৰ্ষক কৰ্মশালা অনুষ্ঠিত হয়। চি কে বি বাণিজ্য মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষজোৰা কাৰ্যসূচীৰ অন্তৰ্গত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণয়ক কোষ, কেৰিয়াৰ বিকাশ কেন্দ্ৰ আৰু চি কে বি বাণিজ্য মহাবিদ্যালয়ৰ সহযোগত উচ্চ শিক্ষা প্ৰতিষ্ঠান সংগঠন পৰিকল্পনা শীৰ্ষক এই কৰ্মশালা অনুষ্ঠিত কৰা হয়। কৰ্মশালাত বহু বিশিষ্ট শিক্ষাবিদৰ লগতে ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

0000000

মাজুলী জিলা সুৰক্ষা কাৰ্যালয়ৰ উদ্যোগত কালি গড়মূৰৰ বংশীগোপাল নাট্য মন্দিৰত শিশু সুৰক্ষা বিষয় সম্পৰ্কত জিলা পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত জিলাখনত উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৭১ গৰাকী শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকি প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰে।

0000000

চৰাইদেউ জিলাত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। পৰীক্ষা স্বচ্ছ, নিকা, শান্তিপূৰ্ণ আৰু ত্ৰুটিহীনভাৱে অনুষ্ঠিত কৰাৰ লগতে জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতিমূলক পদক্ষেপ গ্ৰহণ কৰিছে। অতিৰিক্ত জিলা আয়ুক্তৰ অধ্যক্ষতাত অনুষ্ঠিত

এই বৈঠকত জিলাখনৰ পৰীক্ষা পৰিচালনা কৰা কেইবাজনো বিষয়া উপস্থিত থাকে। নিয়োজিত বিষয়াসকলক নিজ নিজ দায়িত্ব সম্পূৰ্ণ নিষ্ঠাৰে পালন কৰিবলৈ অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে আহ্বান জনায়।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি আত্মসমৰ্পণকাৰী এন ডি এফ বিৰ সদস্য সকলৰ সৈতে লোকসেৱা ভৱনত এখন বৈঠকত মিলিত হয়। এই বৈঠকত সংস্থাপন আৰু অৰ্থনৈতিক বিকাশৰ সৈতে জড়িত বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰা হয়। বৈঠকত উগ্ৰপন্থী সংগঠনটোৰ আত্মসমৰ্পণকাৰী সদস্যসকলক স্ব-নিৰ্ভৰশীল কৰি তোলাৰ বাবে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহ কাৰ্যকৰী কৰাৰ বিষয়েও আলোচনা কৰা হয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

**সমাপ্ত**